মহাকাশ যানখনে 'বৃষ' তাৰকামণ্ডলীত উপস্থিত হ'ব। ইতিমধ্যে যানখনে ক'ৰবাত বুদ্ধিমান প্রাণী লগ পোৱাৰ আশাত তাৰ এখন ফলকত আঁকি দিয়া হৈছে এহাল নৰ-নাৰীৰ ছবি আৰু পৃথিৱীখন ক'ত বিচাৰি পোৱা যাব তাৰ নির্দেশ। ইয়াৰোপৰি ১৯৭৪ চনৰ নৱেম্বৰ মাহত পট'ৰিক'ৰ আৰেকিব'ৰ পাহাৰৰ কন্দৰত বহুওৱা ১০০০ ফুট ব্যাসৰ বৃহৎ বিকীৰণ দূৰবীনৰ পৰা ফ্রেংক্ ড্রেইক আৰু তেওঁৰ সহযোগী মার্কিন বিজ্ঞানীসকলে গাণিতিক সংকেতেৰে বেতাঁৰ বার্তা এটা আমাৰ পৰা ২৪০০০ আলোকবর্ষ দূৰৰ "মেচিয়ে' ১৩" নামৰ তিনিলাখ তৰাৰ পুঞ্জ এটালৈ লক্ষ্য কৰি প্রেৰণ কৰিছে। মাত্র তিনি মিনিটৰ এই সংক্ষিপ্ত বার্তাটোত আমাৰ সৌৰজগত আৰু তাৰ অধিবাসীসকলৰ বিৱৰণ, বর্তমান পৃথিৱীৰ জনসংখ্যা আৰু বংশগতি নির্ণয় কৰা ডি.এন.এ. অনুৰ ডবল কুণ্ডলীৰ বর্ণনা দিয়া হৈছে। "মেচিয়ে' - ১৩"ৰ কোনো গ্ৰহত যদি বুদ্ধিমান প্রাণী আছে আৰু তেওঁলোকে এই বার্তাটো পাই যদি লগে লগে উত্তৰ দিয়ে, তেন্তে আমি এই বার্তাটোৰ উত্তৰ পাম ৪৮০০০ বছৰ পিছত।

এইখিনিতে কেইটিমান পুৰণি ৰহস্যৰ কথা উল্লেখ কৰিব পাৰি। এৰিখ ফন্ ডেনিকেন্ নামৰ জার্মান ব্যক্তি এজনে 'চেৰিয়ট্‌ছ অবদি গড' নামৰ কিতাপ এখনত এই বিষয়ে লিখি কিছু চাঞ্চল্যৰ সৃষ্টি কৰিছে। তেওঁ কিতাপখনত দিল্লীৰ লৌহ স্তম্ভটোৰ কথাও উল্লেখ কৰিছে। এই স্তম্ভটো বহু শ বছৰ ধৰি ৰ'দ, বৰষুণ, ধূলি-বতাহত উন্মুক্ত অৱস্থাত আছে, কিন্তু তাত অকনো মামৰে ধৰা নাই। কোৱা হয় যে এই স্তম্ভটো দ্বিতীয় চন্দ্রগুপ্ত (৩৭৬-৪১৫ খ্রী)ৰ স্মৃতি সৌধ। কিন্তু পৃথিৱীত মামৰৰোধী লোহা বা তীখা আৱিস্কাৰ হয় কুৰি শতিকাতহে। অথচ এই স্তম্ভটো নিদাগ তীখা (ষ্টেইনলেচ্ ষ্টীল) ও নহয় আৰু এইটো ২৩ ফুট ওখ এটা একক (জোৰা নিদিয়া) লোহাৰ টুকুৰা। অৱশ্যে উত্তৰ ভাৰতত প্ৰায় ৩০ টা মান স্তম্ভ দক্ষিণৰ সাঁচীৰ পৰা উত্তৰৰ নেপালৰ টেৰাইলৈকে পোৱা গৈছে যিবোৰ প্রায় ৪০ ফুটলৈকে দীঘল, ৫০ টনলৈকে গধুৰ, আশ্চর্য্য জনক ভাৱে কঠিন আৰু নিদাগ, প্রায় ক্ষেত্রতে বহু শ মাইল বর্তমানৰ অৱস্থানলৈ পৰিবাহিত (লৌহ স্তম্ভটোও প্ৰথমতে আম্বালাৰ কাষৰ পাহাৰ এটাৰ ওপৰত আছিল হেনো)। এইবোৰৰ নির্মাণ প্রক্রিয়া, ঘহঁা-মজাৰ কৌশল আৰু পৰিবহণৰ উপায় আজিও সম্পূর্ণৰূপে ব্যাখ্যা কৰা হোৱা নাই।

দ্বিতীয় ৰহস্যটোৰ অৱতাৰণা কৰে ইজিপ্তৰ পিৰামিডবোৰে। উদাহৰণ স্বৰূপে মেম্‌ফিছ্ চহৰৰ কাষৰ পূব মৰুভূমিত থকা 'গিজাৰ পিৰামিড' বা 'চিয়পচৰ পিৰামিড্‌টো হেনো ৰজা খুফু (খ্রীঃপূঃ ২৭৮৯ - ২৭৬৭) ৰ দ্বাৰা নির্মিত। কিন্তু এই কথাষাৰ মানিলোৱাৰ আগতে পিৰামিড্‌টোৰ কেইটামান তথ্য গমি চোৱা উচিত। এই পিৰামিড্‌টোৰ উচ্চতা ৪৮৯ ফুট (তুলনা ঃ এটা অসম টাইপ ঘৰৰ উচ্চতা প্রায় ১৫ ফুট) আৰু ইয়াৰ নির্মাণত ব্যৱহাৰ হৈছিল $2\frac{1}{2}$ টনৰ পৰা ১২ টনলৈ থকা ২৬ লাখ শিলাখণ্ড (তুলনা ঃ এখন এম্বেছেডৰ গাড়ীৰ ওজন প্রায় ১ টন)। সেই সময়ত প্রচলিত কোনো সঁজুলিৰে এই শিলবোৰ কোৰেৰীৰ পৰা কাটি উলিওৱা আৰু মৰুভূমিৰ মাজেৰে নির্মাণ স্থলীলৈ অনাটো সম্ভৱ নাছিল। তাৰোপৰি হিচাপ কৰিলে দেখা যায় যে এনেদৰে খনিৰ পৰা কাটি, ঘঁহি মাজি, মৰুভূমিৰ মাজলৈ চালান কৰি ওপৰলৈ উঠাই গাঁথনি দিব পৰা যায় দিনে সর্বাধিক ১০ টাকৈ শিলাখণ্ড। গতিকে, গোটেই ২৬ লাখ শিলাখণ্ড গাঁথিবলৈ সময় লাগে প্রায়, ২,৬০,০০০ দিন, অর্থাৎ প্রায় ৭০০ বছৰ। গতিকে কব পাৰি যে পিৰামিডটো নিশ্চয় এজন মাত্র ৰজাৰ জীৱন কালত সঁজা হোৱা নাই। তেন্তে সঁচাকৈয়ে জানো পিৰামিড্‌টো ৰজা খুফুয়ে





সাঁজিছিল? তাৰোপৰি পিৰামিড্‌টোৰ সুৰংগবোৰ কেনেকৈ খন্দা হৈছিল? প্রকোষ্টবোৰ কেনেকৈ আলোকিত, চিত্রিত, সজ্জিত আৰু স্থান-বিন্যাস কৰা হৈছিল? তাত জোৰ (মশাল) ব্যৱহাৰ কৰাৰ কোনো ইংগিত নাই। তাৰোপৰি মিছৰবিদসকলে হিচাপ কৰি উলিয়াইছে যে সেই সময়ত তাত থকা কর্মী, শিলকটীয়া, ভাস্কৰ, সৈন্য, মিস্ত্রী, ইঞ্জিনিয়াৰ, ক্রীতদাস আদিকে ধৰি প্রায় পাঁচ কোটি মানুহ উপস্থিত আছিল। অথচ সেই সময়ৰ পৃথিৱীৰ জনসংখ্যা প্ৰায় দুই কোটিহে আছিল। তদুপৰি আৰু কিছুমান আজব কথা আছে। যেনে, পিৰামিড্‌টোৰ উচ্চতাক ১০০ কৌটিৰে পূৰণ কৰিলে হয় ৯৩০ লাখ মাইল যিটো হ'ল পৃথিৱীৰ পৰা সূর্য্যৰ দূৰত্ব। আকৌ পিৰামিড্‌ৰ ভূমিদেশৰ কালিৰ পৰিমাণক তাৰ উচ্চতাৰ দুগুণেৰে হৰণ কৰিলে হয় ৩.১৪১৫৯, যিটো এটা প্রসিদ্ধ সংখ্যা (গ্রীক আখৰ 'পাই' বা যিকোনো বৃত্তৰ পৰিধি আৰু ব্যাসৰ অনুপাত)। গতিকে প্রশ্ন হয়, ইমান আগতেই তেওঁলোকে পৃথিৱী আৰু সূর্য্যৰ দূৰত্ব নাইবা পাইৰ বিষয়ে জানিছিলনে?

যি কি নহওঁক। প্রাচীন মিছৰীয়া সকলৰ দৰে অনুন্নত জাতি এটাই যি খিনি কাৰিকৰী বিদ্যাৰ অধিকাৰী আছিল, তাৰে তেওঁলোকে কৰিব পাৰে সামান্য ধানখেতি, কিছু মাটিৰ পাত্ৰ আৰু পেপিৰাছৰ ঠানি আদিৰে কিছু ৰুক্ষ ঘৰ। কিন্তু আজিৰ আৰ্কিটেক্টে সকলো আধুনিক সুবিধা - সৰঞ্জামৰ সহায়তো সাজি উলিয়াব নোৱাৰা বিশাল পিৰামিড্‌বোৰ কোনে তেওঁলোকক নির্মাণ কৰিবলৈ শিকালে সেয়া চিন্তনীয়।

এইবোৰৰ উপৰিও ১৮ শতিকাৰ আদি ছোৱাতে ইষ্টামুলৰ টোপ্‌কাপি প্রাসাদত আৱিষ্কৃত মানচিত্রত এন্টাৰ্কটিকা মহাদেশৰ বৰফাবৃত পর্বত শ্রেণীৰ (১৯৫২ চনত আৱিষ্কৃত) নিখুট উপস্থাপন থকা ঘটনায়ো বহিঃজগতৰ জীৱৰ অস্তিত্বকে সমর্থন কৰে। কাৰণ এই মেপ্‌বোৰ হেনো কোনো কৃত্রিম উপগ্ৰহ নাইবা মহাকাশযানৰ সহায়ত 'সমদূৰত্ব প্রক্ষেপ' (Equi-distant Projection) পদ্ধতিত অংকিত।

ইয়াৰোপৰিও মেক্সিক'ৰ পালেংক, নাভয়ৰ গুহা, উজবেকিস্থানৰ ফাৰখানা, ইটালীৰ ভিলাহাৰ্মচা, ছাহাৰাৰ টাচিলি আদি বিভিন্ন ঠাইত পোৱা হাজাৰ বছৰ পুৰণি মুৰ্ত্তি (মহাকাশযান আৰু মহাকাশচাৰীৰ দৰে), পেৰুৰ অধিত্যকাত পোৱা প্লেটিনামৰ অংকাৰ (প্লেটিনাম গলে মাত্র আজিও প্রযুক্তি বিদ্যাই উদ্ভৱ কৰিব পৰা ১৮০০° চেন্টিগ্রেড উষ্ণতাত), বাগদাদ সংগ্ৰহালয়ত থকা খ্রীষ্ট জন্মৰ আগৰে বৈদ্যুতিক কোষ (ইলেক্টিক বেটাৰী), ছাইবেৰিয়াত ১৯০৮ চনতে ঘটা পাৰমাণৱিক বিস্ফোৰণ (পৃথিৱীৰ প্রথম পাৰমাণৱিক বিস্ফোৰণ ঘটায় আমেৰিকাই নিউমেক্সিক'ত, ১৯৪৫ চনত)ৰ ঘটনা, মেক্সিক'ৰ জাতীয় সংগ্ৰাহলয়ত থকা প্রাচীন পাত্ৰৰগাৰ মহাকাশ যানৰ ছবি আদি বহুতো বস্তুৱে আমাক ভাবিবলৈ বাধ্য কৰায় যে অকল পৃথিৱীত ইতিমধ্যে পদাৰ্পন কৰি গৈছে সেইটোও ধ্ৰুৱপ। তথাপি এনে জীৱৰ লগত অতি শীঘ্ৰেই যে মানৱ সমাজৰ প্রত্যক্ষ যোগা-যোগ হ'ব সেইলৈ পৃথিৱী বাসীসকলে যথেষ্ট আশাবাদী আৰু তাৰ কাৰণে আমি বিজ্ঞানৰ ওপৰত ভৰসা ৰাখি ভৱিষ্যত আগমনলৈ বাট চাব লাগিব।

❑❑❑❑

বি ঃ দ্র ঃ- *প্ৰবন্ধটো প্ৰস্তুত কৰোতে বিভিন্ন বাতৰি কাকত, আলোচনী আদিত প্ৰকাশিত বিজ্ঞানভিত্তিক খবৰ আৰু প্ৰবন্ধ তথা বিজ্ঞানভিত্তিক গ্ৰন্থ, বিশেষকৈ সুৰেন্দ্ৰ নাথ মেধিৰ 'মহাকাশত প্ৰাণৰ সন্ধান' কিতাপখনৰ সহায় লোৱা হৈছে।*

# ENVIROMENTAL POLLUTION AND ECONOMIC DEVELOPMENT

**Brajendra Saikia,** Lecturer
(Economics Dept.)

With a vast diversity in geographic, climatic and biological aspects, India has a unique environmental heritage in the world. The country represents almost all types of living and nonliving bodies of the world. Land mass of the country and its water bodies give an extremely rich variety of plants and animals. However economic development based on high utilisation of natural resources, energy intensive industrial technology, heavy pressure of population and poverty have taken a heavy toll of these environmental assets over the long period.

Economic activities almost depend directly or indirectly on nature. Therefore the economic activities either affect or are affected by natural and environmental resources. Economic activities like extraction, production, processing, manufacture, transport, consumption etc. increased stress to the environmental system by introducing wastes to environment. Again, increasing economic activities reduce the stock of natural resources available for the future generation which ultimately affect social welfare. Thus the productivity of an economic system partly depends on the supply and quality of natural and environmental resources.

Nature and environment play three economic roles. They are wastes disposal service, related to environment's assimilative capacity's natural resource inputs into productions and directly consumed life support services and amenities. Among the all three, the input function of natural and environmental resources into production is the prone to understand the relationship between economic growth and environment. There are various economic assets like water, soil, air, biological, forest, fisheries, minerals etc. whose quality helps to determine the productivity of the economy. Thus environment plays a big role with its various economic assets in economic





growth. So environmental degradation costs economic losses by resulting losses in output and productivity of human capital. Loss in labour productivity arises from ill health, loss in crop production due to soil degration and erosion, loss in fisheries output and tourism receipts from coastal erosion etc are some of the probable causes of reduced output. Moreover air and water pollution caused a heavy damage, specially of the people of developing countries.

Thus we can't differ economic development from environment. Necessary economic development without environment can cause a heavy damage to the quality of life of present and future generations.

Environmental problems are varied with the changing stages of development, pattern of its economy, production technique in use and its environment policies. Some problems arise because of lack of development which arise by inadequate sanitation and pure drinking water and others are due to the increased economic activity, e.g. by polluting air and water.

About 175 million hectares of the total geographical land area of 329 million hectares of our country shows the evidence of degradation. Land degradation is contributed by various factors like water and wind erosion, water logging, salination etc. Erosion by water and wind is the most significant contributor to soil erosion with other factors increased land degradation. Thus, land degradation ultimately affecting the productive resource base of the economy. Soil erosion by rain and river water in hilly areas causes landslides, floods, deforestation, over grazing, tradiitonal agricultural practice etc. Again wind erosion increases desert, dust storms, which destructing crops by covering fertile land by sand and make the field sterile. In the plains, riverine erosion due to floods damaged productivity of the soil. Again intensive agriculture and irrigation also results in salination and water logging in irrigated area.

Forests have also a great role in economic development. It provides goods and services to forest dwellers, employment opportunities to a vast amount of people in the forest base industries and also in various allied sectors. Forest also plays a vital role in maintaing environmental quality by influencing the ecological balance with the help of checking soil erosion, maintaining soil fertility, regulating the water cycle and floods, balancing carbondioxide and oxygen content in atmosphere etc. presently about 23.3V of the total geographical area is covered by forest as recorded

officially. But actually only 19.3% of the total geographical area is covered by forest.

The main factors contributing to air pollution are growing industrialisation and increasing vehicular pollution. Industrial pollution is concentrated in industries like petroleum refineries, textiles, paper, industrial chemicals iron and steel and non-metallic minerals products etc. Small scale industries like chemical manufacturer, brick making are also significant polluters. Thermal power generation is also an important source of pollution. Vehicular traffic is the most important source of air pollution in the city areas. Specially two stroke engines,aged vehicles, congested traffic, poor roads and traffic management system are among the important sources of air pollution. The toxic nature of air pollutants and their high concentration in many industrialised region are posing serious demage to human health and country's ecological structures in general. Its ultimate stress also goes to economic development.

The water quality monitoring results indicates that organic and bacterial pollution continue to be dominant source of pollution in our aquatic resources. The major sources of water pollution are discharge of domestic sewage and industrial effluents which contain organic pollutants, chemicals and heavy metal and run off from land based activities such as agriculture and mining. The major water polluting industry include fertilizers, refineries, pulp and paper, leather, metal plating and other chemical industries. Besides sources like fertilizers and pesticides run off in rural areas are emerging as major cause of concern. The diseases commonly caused due to polluted water are diarrhoea, trachoma, intestinal worms, hepatities etc. Recent data shows that about 21% of all communicable diseases in India (11.5% of all diseases) are water borne diseases.

Due to the unregulated growth of urbanization without necessary infrastructural services and proper collection, transportation, treatment and disposal of solid wastages have increased pollution and health hazard. These wastages are commonly paper, plastic, cloth, metal, glass, organic matters etc. generated from housholds,commercial establishments and markets etc. According to the survery, urban wastes generated is estimated at 48 million tonnes in India, 1997.

In our North-East India,we may observe that due to the gradual de-





forestation and land degradation, problems of flood and irregular rain have been increasing day by day which ultimately affect agricultural production, the main pillar of our economic development.

Thus for a balanced economic development, whenever we think about economic activities, we must consider environmental aspects

"Save the environment
save the generation next."

*("With the help of Indian economic survery," 1998-99)*

---



# Euro :- The greatest revolution of monetary Economics.

*Kaushik Gupta*
T.D.C. III Year.

The dream of a new common currency for Europe is finally about to materialise. She is all geared up to welcome the new millennium with a single currency, with a common central bank and a single stock market-everything at the expense of the national financial sovereignty of 15 prosperous and influential countries of western Europe. As a concrete step to usher in the common European currency, the Euro, on the new year day of 1999, the European central Bank (E.C.B) which will serve as guardian of the single currency was launched in Frankfurt, Germany, on July 1, 1998.

Close on the heels of the opening of the E.C.B. stock exchanges of London and Frankfurt entered into a dynamic agreement for Co-Operation. Under this agreement, London and Frankfurt stock exchanges would first begin integration by combining trading in the biggest German and British equities in a joint venture in 1999. Followed by this, the two influential stock exchanges would develop a single, electronic system for trading shares of the 3000 largest European Companies, which will mark the beginning of the single. pan-Europen stock exchange that can rival the New york exchange in near future.

This common currency has a long history as far as of more than five decades. The Euro was conceived of more than 50 years ago when the European market began to take shape under the guidance of the French statesman, Jean Mounet. In 1946, Britain's eminent Prime Minister, Winstone Churchill, called for a "united states of Europe (USE)" blessed with common spiritual and economic values. Since then, it has been a long historical Journey for post war Europe. This will end in July





2002, when Euro currency notes and coins come in circulation. The national currency and coins of 11 countries which how constitute the Euro, will then cease to be legal tender in Euroland.

The launch of E.M.U. (European Monetary Union) is described as the most ambitious monetary experiment since the launch of the Bretton woods system at the end of the world war 11. The E.M.U. member states who have launched the Euro have a combined population of 292 million which comprises 11 of the 15 member states (countries). They are Germany, France, Austria, Belgium, Finland, Ireland, Italy, Luxembourg, the Netherlands, Portugal and Spain. Britain, Denmark and sweden have chosen to remain out of the E.M.U. and the Euro for the domestic political reasons while Greece has yet to meet economic criteria to technically qualify for E.M.U. Membership.

**Advantages of single currency :**

The advantages are numerous. For one single currency means that travellers across the community no longer have to change money, while losing money on every transaction, as is currently the case. Exchange margins and commissions paid to banks will simply disappear. Small business in particular will benefit as payments and transfers between member - states end up being quicker and more reliable, as well as cheaper.

For businessmen and consumers, a single currency will also take away the uncertainty about the price for which goods are sold. As has been seen, sudden exchange rate fluctuations can wipe out profit margins in a matter of hours. Further, if goods and services are priced in one and the same currency, the competitive effect of the single market will be strengthened considerably, much to the community's benefit as a whole. In this way, the single currency will also help stimulate growth and employment.

**Demerits :**

Setting up a common currency means that countries with very different economic needs will be bound by one economic policy. This has already exacted political consequences. The French public's dissatistaction with the austerity measures which the Government proposed, to keep its budget deficits low enough to qualify, was a major reason for the Gaullist party losing the 1997 elections.

The nations that join the common currency have agreed to keep their

budget deficits to 3% of their GNP (Gross national product). Germany has insisted on it because of concerns about giving up its own strong currency, the Mark. This stiff requirement has caused years of anti-inflationary, deficit-cutting policies by countries that wanted to join the Euro.

These austerity measures have taken a terrible political and economic toll, causing governments to fall, driving unemployment up to double digits and dooming much of the continent to years of stagnation. Moreover, nobody knows how a common currency will really work among countries so big and economically disparate.


**Euro and India :**

The European union is India's second largest trading partner after the U.S.A: and currently accounts for about 30% of India's exports and imports. Hence, the E.U. is more important to India than India to the E.U. It is indispensable for India improving its global trade profile.

Since the Indian financial year is from April to March, it is quite likely that trading in Euro will gain momentum only after April, 1999. ◻◻

*Reference Books :*


(1) Competition Success - February, 1999
(2) Competition Refresher - August, 1998
(3) Pratiyogita Kiran - March, 1999.
(4) Monorama year Book - 1999.
(5) The times of India - 2nd January, 1999.





# Communications Growing into an information super highway


***Rana Ditya Barman***
Economics Deptt.
T.D.C. 3rd Year.


Ever since Alexander Graham Bell's telephone rang in the year 1876, communication has progress-ed a long way.

Communication is all about minimising noise. A communication system attempts to camouflage the signal so that, during transmission, it is protected against noise. Maximising the signal - to - noise ratio in analouge communication, or minimising bit error rate in digital communication, are the essentials of communication. To add to that, innovations on packing maximum information on existing networks has added a new dimension to communication

A modest attempt to classify communications is as follows :-

**Generic** : Video, Voice, data.

**Medium** : (a) Wired : copper, coaxial, fibre

(b) **Wireless** : Short haul, long haul, or terrestrial, longspheric, underwater and satelite.

**Application** : Television, the Internet, wirless local loop, telephony cellphone, raders etc. I will concentr-ate in this article on futuristic communications (2000 and beyond), and try to define a super information highway. Wireless local loop (WLL)

This is a technology on hybrid/ wireless media which solves the last mile problem of the telephone service provider. In a WLL system, a number of base station units are strung on poles. These base stations are interfacing with the telephone exchange by copper lines or fibre, digitally. On the customer's side these base stations provide wireless

interface. The customer's phone can be a fixed wireless phone or even a mobile wireless phone. These networks can be broadly classified into macro cellular and micro cellular networks.

Macro cellular loops provide long distance propagation typically up to 40 km, in the frequency range of 800 $MH_2$ to 900$MH_2$. They are suitable for low-traffic, low-density rural applications. Micro cellular loops provide short distance, high density urban applications, in the frequency range of 1800 $MH_2$ to 1900 $MH_2$.

**Satelite communication :**

Satelites using C-band (4$GH_2$) are parked in the geosynchronous orlit. two deqrees apart. These C-band sattelites are mainly used for telecommunication and television transmission, remote sensing, and meteorology. Satellites in Ku-bband (11$GH_2$) are used for direct-to-home television broadcasts. A dish autena outside the window, less than a metre in diametre, can bring a minimum of sixty television channels into the drawing room today.

Integrated Services Digital Network (ISDN). It is an all-digital communications net work which offers its users a variety of capabilities as against the existing telephone network. ISDN network can carry voice, video and data at 64 Kbps or multiple rates. ISDN offers excellent speech quality. It is inexpensive, does not require any rewiring, and can handle all types of troffic. It is compatible with other broadband services like ADSL, Frame relay and SONET.

**Computer telephony integration (CTI)**

CTI blends computers which telephones. While telephones deal with people whose source or consume information, the strength of computers lies in the storage, processing or retrieval of information such as sound, video, graphics, text, etx. Let us look at a few applications.

An incoming call can land on the computer and the monitor will display the identification of the caller. Sitting in Delhi, a person can access his chennai office via phone, and have all messages (E-mail, Fax, memo etc). read out to him by the computer. Computers employs text readers to do this.

CTI also provides interactive voice response. The famous DOT announcement, "All lines in this route are busy. Please try after some time," is an example. A better example is the railway reservation enquiry service installed in metros.

**The Internet :**






The Internet is the latest exciting thing in information technology. In 1996, Internet users were less than 50 million in number. In 1998, the number has gone up to 300 million, with the traffic on the Internet doubling every hundred days. The number of Websites today is over 1.5 million, and in 2001, the ratis of the Internet to telephone users will be 3:10 globally.

The Internet is a pleasant service with no demands. It is user friendly and makes every user feel like a VIP as one is not at the mercy of a bureaucratic indifferent third party of obtaining information.

**Conclusion :**


In short, communication is breaking all barriers. We can access a computer through a telephone call through computer key pads. We see cellphones and pagers ringing at odd places, voice mail, E-mail and Internet every where. Text is replaced by CD-ROMS and the data world and the Video world are converging into your television box, probably accessed by telephone. Convergence is, in short, the only way for all service providers to coexist.

□□□□



(Assamese, English & Hindi)

# কবিতা







## মৰীচিকা

বিশ্বজিৎ ডেকা
*স্নাতক ,২য় বৰ্ষ (কলা)*

তুমি এদিন কানীনীত পৰিণত হ'বা,
তোমাৰ উগ্ৰ, স্বাৰ্থপৰতাই তাৰ প্ৰতীক।
হেজাৰ জনৰ মৰম তুমি কিয় বিচৰা?
তুমিতো অকলেই তোমাৰ সৰ্বস্ব!
নিঃস্বাৰ্থ ৰূপত প্ৰকট কৰিব খোজা
তোমাৰ প্ৰতিটো ব্যৱহাৰৰ অন্তৰালত
দেখোঁ মই ভয়ংকৰ বিভীষিকা।
এই বিভীষিকা হয়তো উগ্ৰ,
যৌনতা, কামুকতাৰ মৰীচিকা।
এই মৰীচিকাতেই অপমৃত্যু হয় কিছুমানৰ
যাৰ নিজৰ অস্তিত্বই অজ্ঞাত।
সিহঁত প্ৰলোভিত হয় মৰীচিকাৰ মায়াত।
পথভ্ৰষ্ট পথিকৰ দৰে সিহঁতে
খেদি ফুৰে সেই মৰীচিকা।
হঠাৎ সূৰ্য্য অস্ত গ'ল-
হেৰাই গ'ল মৰীচিকা
কাৰণ, তুমি এতিয়া কানীনী হ'লা।।





## সপোন নে বাস্তৱ?


বিজু শৰ্মা (জিন্টু)
*স্নাতক ,২য় বৰ্ষ (কলা)*

মাজ নিশা হঠাৎ টোপনি ভাগিল
কোনোবাই দুৱাৰত টুকুৰিয়াইছে।
'কোন হ'ব পাৰে এই মাজ নিশা!'
লাহেকৈ দুৱাৰৰ ডাং ডাল খুলি দিলোঁ।
মোৰ সন্মুখত ক'লা বস্ত্ৰ পৰিহিত
এজন অচিনাকী।
"কোন তুমি?" - মই সুধিলোঁ।
"মই কৰ্কট, তোমালোকৰ জাতিটোৰ কৰ্কট।"
পুনৰ প্ৰশ্ন কৰিলোঁ।
তাচ্ছিল্যৰ কুটিল হাঁহিৰে উত্তৰ দিলে কৰ্কটে
"তোমালোকৰ জাতিটোক ধ্বংস কৰিবলৈ,
বিপ্লৱী সত্বাক ভণ্ডত পৰিণত কৰিবলৈ
আৰু প্ৰতিবাদী কণ্ঠ ৰোধ কৰিবলৈ।"
"আৰু একো নকবা কৰ্কট,
আমাৰ জাতিটোক ধ্বংস নকৰিবা
আমাৰ বাৰেবৰণীয়া সংস্কৃতিক।"
হঠাৎ সাৰ পাই গলোঁ -
কি যে সপোনবোৰ দেখোঁ!
এগিলাচ চেঁচা পানী পান কৰি
পুনৰ শুবলৈ অপচেষ্টা কৰিলোঁ।।

# ❑ ধ্বনি আৰু প্ৰতিধ্বনি ❑

প্ৰণৱ বৈশ্য
উঃ মাঃ, ২য় বৰ্ষ (বিজ্ঞান)

বৰষা যেতিয়া গৰজে ঘনে ঘনে
যেন চতিয়াব বৃষ্টি আমাৰ প্ৰাণে প্ৰাণে
শুকান হৃদয়ত
কেঁচা তেজৰ ৰঙীন চেকুঁৰা
ৰক্তনলীকাত সঞ্চালনৰ হেন্দোলনি
আমাৰ জীৱনত জ্বলিব পোহৰৰ দীপালী।
নীলা যেন আকাশ
আৰু ক'লা মেঘ
শুকান বতাহ
আৰু সকলো শেষ
সিপাৰে তোমালোক
ইপাৰে মই
এয়েই মোৰ স্বীকৃতি
কিম্বা মোৰ পৰাজয়
উন্মুক্ত ধাননিত সেউজীয়াৰ মাজত
সোণালীৰ প্ৰতিচ্ছবি;
দেহৰ কোঁহে কোঁহে ভগ্ন আশাৰ
করুণ ধ্বনি আৰু প্ৰতিধ্বনি
ধ্বনি আৰু প্ৰতিধ্বনি
ধ্বনি আৰু প্ৰতিধ্বনি। ❑❑



# ❑ তোমালৈ বাট চাই ❑

দীপজ্যোতি কলিতা
স্নাতক,৩য় বৰ্ষ (কলা)

তুমি আকৌ আহিবানে?
আমাৰ মাজলৈ।
তোমাৰ শ্যামলিমা
আমাৰ বাবে নতুন দিগন্ত।
চৌদিশে বিলাবা স্নিগ্ধ ফুলৰ সুবাস।
আৰু -
কিছুমান প্ৰেমৰ জাননী।
সঁচাকৈয়ে যদি তুমি নাহা
তেন্তে,
পৃথিৱীখন হ'ব শতাব্দীটোৰ
এক নিষ্ঠুৰ অভিশাপ।
সতৃষ্ণ নয়নে বাট চাই আছে কুলি-কেতেকীয়ে।
তুমি আহিলেই হ'ব সিহঁতৰ
গীতবোৰৰ আৰম্ভণি।
তুমি অচিৰে আহিবা
তুমি আহিলেই প্ৰকৃতিয়ে পাব
এক পোহৰৰ উন্মাদনা
দেখা দিব সাগৰ আৰু আকাশ ভেদি
উদ্ভাসিত হোৱা ৰক্তিম ভানুৰ
প্ৰথম কিৰণৰ শিখা।
তুমি নিশ্চয় আহিবা
আকুল চিত্তে আছে
তোমালৈ বাট চাই অ' বসন্ত।। ❑❑




বঙিয়া মহাবিদ্যালয় আলোচনী

# ❑ জীৱনৰ নতুন অৰ্থ ❑

মেহজাবিন বেগম
স্নাতক ,২য় বৰ্ষ (কলা)

জীৱনৰ আদিম পুৱাত
শৰতৰ সেউজীয়াখিনিৰ লগত
তুমি কিয় আঁতৰিব বিচাৰিছা
নিজৰ পৰা
হেৰোৱা সপোনটো বিচাৰি কিয়
সোঁৰৱণীৰ পাত লুটিয়াইছা মিছাতে
উত্তাল নৈৰ কোৱাল সোঁতত।
নতুবা
পানী মেটেকাৰ কজলা আন্ধাৰত
বোকাই কিজানি দফনিয়াই থ'লে
তুমি জানো নাজানা
তোমাৰ কাষত দাঁত নিকটাই হাঁহি থাকিলেও
সপোনে যে ধৰা নিদিয়ে
কপালৰ ঘাম যদি বোৱাব পাৰা
সপোনৰ বীজে পাহি মেলিব এদিন
বয়স এতিয়া তোমাৰ নাঙলৰ সীৰলুত ধৰি
মাটি চহোৱাৰ
ৰঙীন পৃথিৱীৰ ৰংহীন হৃদয় দেখি
যদি থমকি যোৱা
তেতিয়াই মনত পেলাবা
কৰ্ম্মযোগী তোমাৰ বৰপিতাইৰ ফটা ভৰি দুখনিলৈ
আৰু আইৰ উকা কপাললৈ
অথবা
'ডাষ্টবিন'ত পিটপিটাই ফুৰা হাতবোৰলৈ
আৰু ষ্টেচন ৰোডৰ গণিকালয়লৈ।
তেতিয়াই বুজিবা
'জীৱনৰ নতুন অৰ্থ' ❑❑




# ❑ সিহঁত আহিব ❑

বিজয় শংকৰ দাস
স্নাতক ,১ম বৰ্ষ (কলা)


মই সংগোপনে প্ৰত্যক্ষ কৰিছিলোঁ
এজুৰি অশ্ৰুসিক্ত নয়ন
আৰু দেখিছিলোঁ
অস্তগামী সূৰুযৰ সেমেকা কিৰণ।
সিহঁতে জানে
তোৰ বুকুৰ সোমাজেদি
প্ৰৱাহিত হয়
তেজৰ কণিকা
সিহঁতে সৃষ্টি কৰে
তেজৰ পুখুৰীবোৰ
য'ত সিহঁতে হেঁপাহ পলুৱাই
অৱগাহন কৰিব,
উটুৱাব পাৰিব,
হাতে হাতে ল'ব
লাওখোলাৰ পাত্ৰবোৰ
অৱসান হ'ব ভাতৃঘাতী সংঘৰ্ষ
আই,
তই নেকান্দিবি
আদিত্য অচিৰেই উদয় হ'ব
নাঙলৰ সীৰলুত প্ৰকৃতি আহিব,
তোৰ দুবাহুৰ শিকলি মুক্ত হ'ব
পথীৰ মাতত ৰাতি পুৱাব
সিহঁত আহিব
অচিৰেই আহিব ❑❑

# ❑ তেজৰ নাম সূৰ্য্য ❑

বিশ্বজিত ৰাজবংশী
স্নাতক ,২য় বৰ্ষ (কলা)



যি বাটে আহিছিল নাঙঠ শিশুবোৰ
এতিয়া সেই বাটত পোৰা শিশুৰ গোন্ধ
যি শিশুৰ মুখত তৰাৰ হাঁহি
এতিয়া চৌদিশে আতঙ্কৰ বিষ- বাষ্প
এদিন পদুলিৰ নঙলা খুলি
যি বাটে ওলাই গ'ল তজবজীয়া ডেকাহঁত
সিহঁতো এতিয়া সেই বাটে নাহে উভতি।
যি মাতৃৰ বুকুৰ উমত
ফুলিছিল শিশুৰ অনেক হাঁহি
এতিয়া তাত
দুখত পোৰে মাতৃৰ উদং বুকুৰ কলিজা
এতিয়া
উদাৰ আকাশে দুহাত মেলি
সাবতি নলয় সেউজ শস্যভূমি
হৃদয়ত দোঁখাই নুফুলে প্ৰেমৰ ফুল।
ৰজাৰ দল ভাঙিবলৈ
আৰু প্ৰেমৰ চনকা বুকুত
শিলৰ পাহাৰ সৃষ্টি কৰি
হৃদয়ত নুফুলাবি সন্ত্ৰাসৰ বিষ- বাষ্প
কাৰণ-
আজিৰ প্ৰতিটো শিশুৱেই
ভবিষ্যতৰ একোজোপা অমৃত- বৃক্ষ
প্ৰতি টোপাল ডেকা- তেজেই
দুপৰৰ একোটা সূৰ্য্য। ❑❑



# ❑ এক অজান সুৰ ❑

আব্দুল ৰেজ্জাক
স্নাতক ,২য় বৰ্ষ (কলা)

নিয়ন চাকিয়ে জিৰণি লোৱা পৰত
জোনাকীৰ স্নিগ্ধ পোহৰত
অপেক্ষাৰত মই.........
কবিতাৰ ভাষা মোৰ নাই
সংগীতৰ মধুৰ মূৰ্চ্ছনাই
আমনিও দিয়া নাই।
মোৰ শব্দহীন দুচকুৰ চাৱনিয়ে
প্লাৱন আনিব জানো তোমাৰ হৃদয়ত?
এয়াই নেকি প্ৰেমৰ সৃষ্টি
অথবা কৃষ্টি
বুজা-নুবুজা, শুনা-নুশুনা
স্পষ্ট-অস্পষ্ট কিছুমান প্ৰতিচ্ছবি।
কি যে তাৰ ৰসিকতা মিশ্ৰিত ভাষা।
শব্দহীন এক অবুজ চাৱনি
সুৰ বিহীন এক অজান সুৰ। ❑❑





# ❑❑ ফুল- তৰা- গান ❑❑


হিমাংশু বৰ্মণ
স্নাতক ,২য় বৰ্ষ (বিজ্ঞান)

তুমি হাঁহিছিলা -
তোমাৰ মন পৰশা হাঁহিত
নিয়ৰৰ দৰেই সৰি পৰিছিল - যৌৱন
নিমজ মিঠা গাল দুখনেদি
দাঁত দুপাৰি মুকুতাৰ দৰে জ্বলি উঠিছিল
আৰু, তেতিয়া মোৰ মনটোৱে
জোনাকী পৰুৱা হৈ দৌৰি ফুৰিছিল
তোমাৰ চৌপাশে
সোণত সুৱগা চৰাবলৈ -
শুনিছোঁ, তুমি হেনো জোনৰ পোহৰত স্নান কৰা .
তোমাৰ সদ্যস্নাতা দেহটোত
মোৰ জোন ঢলি পৰা দুখবোৰে আমনি নকৰেতো
তুমি বাৰু সেইকণ মেঘালী অঞ্জন ক'ত পালা
তোমাৰ চকুৰ জেউতি চৰাবলৈ
ওঁঠ দুটিও দেখোন দুপাহ গোলাপ হৈ হাঁহে
মানুহে কয়,- 'গোলাপৰ হেনো কাঁইট আছে।'
অথচ তুমি ....? মই কিন্তু তেনেকৈ নাভাবোঁ,
বাৰু, ফুল দুপাহ মোকেই দিবা-কাঁইটবোৰ গুছাই
ধুনীয়াকৈ সজাই দিম তোমাৰ কৱৰীত মৰম নামৰ
কপৌপাহিৰ স'তে, দিবানে বাৰু?
কবিতা-ৰাতিৰ আকাশত



তুমি কেতিয়াবা ৰামধেনু চোৱানে,
কোনটো ৰং ভাল লাগে তোমাৰ? সেউজীয়া
নে ৰঙা? আটাইবোৰ ৰঙেই তোমাক শুৱাব
কিন্তু!
সমুদ্ৰৰ উত্তাল উৰ্মিমালাৰ গৰ্জন শুনি
তুমি ভয় খোৱা নেকি বাৰু? তুমিতো দেখা নাই
সিটো পাৰে থকা শান্তিৰ বৃন্দাবন!
তুমি দেখিছানে কেতিয়াবা
বালিচৰে গতিৰুদ্ধ কৰি দিয়া নদীৰ জীৱন-
সোঁত?
তুমিও নানিবা কাহানিও-বিৰহৰ বালিচৰ
মোৰ প্ৰণয় তটিনীত।
মোৰ গোমা মন-আকাশত
তুমি সদায় উজলি থাকিবা
সাইলাখ তৰাবোৰৰ নিচিনা,
মোৰ উৎপলা আশাৰ ফুল কোমলীয়া কলিজাত
তুমি কেতিয়াও ঢালি নিদিবা
বিষাদৰ বিষ, আৰু নিদিবা মৰহি যাবলৈ
মোৰ সযত্ন পালিত অপূৰ্ণ আকাংক্ষাবোৰ।
মোৰ কল্পনাৰ কাৰেঙত
ফুল-তৰা-গানৰ স'তে তুমি হ'বা সপোনৰ সহচৰ,
নে গুছি যাবা কোনো অজান দেশলৈ?
তুমি নিদিবা দুখ মোক কন্দুৱাই
মোৰ হৃদয়- উদ্যানত
তুমি এপাহ আশাৰ খৰিকাজাই। ❑❑

## □□ সেই ট্ৰেইনখন □□



অচ্যুত কলিতা
স্নাতক, ২য় বৰ্ষ (কলা)

সেই ট্ৰেইনখন
য'ত আছিল মোৰ মা
যাৰ বাবে দেখিলোঁ এই বাৰেবৰণীয়া পৃথিৱী।
যিয়ে শিকাইছিল মোক
জীৱনৰ আদি পাঠ।
হঠাৎ শুনিলোঁ এটি শব্দ
যিয়েই কাঢ়ি নিলে মোৰ মাক
অকনো নালাগিল কিয় দুখ সিহঁতৰ
যিয়ে কৰিছিল সৃষ্টি সেই শব্দটিৰ!
সিহঁত জানো নহয় পুত্ৰ
মোৰ দৰে একোগৰাকী মাতৃৰ? □□

## □ বেদনাৰ অশ্ৰু □

সংগীতা শৰ্মা
স্নাতক, ১ম বৰ্ষ (কলা)



সাগৰ তলিত মুকুতা বিচাৰি
শামুকৰ খোলা পালোঁ;
জীৱন যুদ্ধত যুঁজি মই
নিজকে হেৰাই দিলোঁ।
মোৰ জীৱনৰ হেঁকুৰাখিনি
ঘূৰি জানো আহিব
মনৰ আশাৰ ফুলনিখনি
ফুলেৰে জানো ভৰিব?
বেদনা- অশ্ৰু কিমান বোৱাম
অবুজ মনক কিদৰে বুজাম
নাপায়ো পোৱাৰ অভিনয়েৰে
নিজকে আৰুনো কিমান সজাম? □□





## □□ তোমাৰ অস্তিত্ব □□


(সাংবাদিক 'পৰাগ কুমাৰ দাসৰ স্মৃতিত)

দিগন্ত ডেকা
স্নাতক, ১ম বৰ্ষ (কলা)


দুবৰিৰ দলিচাৰে ঢাক খোৱা তোমাৰ হাড়ত,
প্ৰতিধ্বনিত হয় সংগ্ৰামী অংকুৰ।
নিয়ৰৰ টোপালবোৰত মিলিত হয় কিজানি
তোমাৰ হত্যাকাৰীৰ ভয়াৰ্ত্ত প্ৰতিবিম্ববোৰ।
আন্ধাৰত তীৰন্দাজৰ দুৰ্বল সত্বাবোৰ
কম্পিত হাতৰ বন্দুকবোৰ,
পুৱাৰ সূৰুযৰ হেঙুলীয়া দীপালীত
পলাই ফাট মাৰে কোনোবা অন্ধকূপত।
লাইশাক বঢ়াদি বাঢ়ে সংগ্ৰামী অংকুৰ।
মৌচুমীৰ বোকোচাত স্ব-মাটিৰ গোন্ধ,
সোৱণশিৰীৰ সিপাৰত,
পাহাৰৰ গভীৰত,
জিলিকি আছে তোমাৰ অস্তিত্ব।
কোনে কয় তোমাৰ হাড়ত বন গজিল?
তুমি নিৰবধি লুইতপৰীয়া সংগ্ৰামী,
তুমি মুক্তিৰ অংকুৰ।
অসমী আইৰ মুক্তিত অৰ্পিত,
এধাৰি মালাৰ তুমিও পুষ্প।
জাতি আৰু জাতীয়তাৰ,
ৰক্তস্নাত অৰ্ঘ্য।
ইতিহাসৰ পাতত,
নবীনৰ হৃদয়ত,
ব্যাপ্ত তোমাৰ অস্তিত্ব। □□

## □□ তেজ ৰঙা শব্দটো □□

ৰুমী কলিতা
স্নাতক, ২য় বৰ্ষ (কলা)



এতিয়া আৰু ৰোমান্তিক কবিতা
লিখাৰ সময় নাই।
মোৰ দেশৰ চৌদিশে
অহৰ্নিশে চলিছে
হত্যা, লুণ্ঠন, অপহৰণ।
ৰাংকুকুৰৰ তীক্ষ্ণ দাঁতৰ কামোৰত
ধ্বংস হয় আজি মোৰ দেশৰ
ফুল কোমলীয়া পাট গাভৰুৰ
যৌৱনৰ সমস্ত সেউজ সুষমা।
কোনোৱে আকৌ
হাতে হাতে মৰণাস্ত্ৰ ল'ই
কৰিছে "স্বাধীনতা" নামৰ
তেজৰঙা শব্দটোৰ অলীক কল্পনা। □□



# ❑❑ সপোন পৰশ ❑❑

ইনামুল ইছলাম
স্নাতক ,২য় বৰ্ষ (কলা)

তুমি প্ৰতিনিশা আহি ফুলি উঠা
এপাহি ৰঙা গোলাপ হৈ
দি যোৱাহি ফুলৰ ৰূপত
চুমাৰ পৰশ।
মই নিবিড় নিশাৰ সপোনত দেখোঁ
তোমাৰ সেই পৰীৰ ৰূপ।
তোমাৰ গোলাপী ওঁঠৰ
মৌসনা হাঁহি
পৰীৰ দৰে আহি তুমি
মোৰ স'তে ওমলাহি।
নিশা উজাগৰে থাকি
পাতিব খোজোঁ কথা
প্ৰেম মাধুৰীৰ।
হঠাৎ বাৰুদৰ শব্দ শুনি
সাৰ পাই দেখিলোঁ, কি জানা?
মই যে আছোঁ তোমাৰ
সপোন পৰশৰ উম লৈ
এখনি অটব্য বননিত। ❑❑



# ❑❑ শান্তি সূৰ্য্যৰ উন্মেষ ❑❑



নৱনীতা শৰ্মা
স্নাতক ,২য় বৰ্ষ (কলা)

চৌদিশে কেৱল নীৰৱতা
আন্ধাৰ, মাথোঁ আন্ধাৰ
আজি শ্মশানত সমাধিস্থ হৈছে
অগণন যুৱক-যুৱতীৰ নশ্বৰ দেহ।

যদি মোৰ মৃত্যুৱে আঁতৰাই
কাৰোবাৰ জীৱনৰ দুঃখ
তেন্তে পাৰিম মই কৰিবলৈ ত্যাগ
মোৰ জীৱন আৰু যৌৱনৰ নগণ্য সুখ।

মোৰ লিখনীৰ অংগিকাৰে যদি দিয়ে
কাৰোবাক সাহস আৰু প্ৰেৰণা
তেনেহ'লে মই পাৰিম সহিবলৈ
জীৱনৰ সকলো দুঃখ আৰু যন্ত্ৰণা।


এতিয়া মই নিজানত বাট চাই আছোঁ
কুৰি শতিকাৰ শান্তি-সূৰুযৰ উন্মেষ চাবলৈ
বিগত দিনৰ স্মৃতি পাহৰি
এধান মান শান্তিৰ সুৰভি ভৰা 'বা' পাবলৈ। ❑❑





# ❑ নীৰৱ ভাষাৰে ❑

অনুভৱ বৰুৱা
স্নাতক, ৩য় বৰ্ষ (কলা)



তোমাৰ স'তে চিলোৱা
'মোনাখন'
মই বৰ সযতনে ৰাখিছোঁ,
মোৰ বাকচত
উম দি থৈ দিছোঁ আলফুলে।
মাজে মাজে যেতিয়া তোমালৈ
মনত পৰে
বাকচটো খুলি উলিয়াই লওঁ মই
প্ৰতিটো সিয়নিয়ে
মোক তোমাৰ কাষলৈ লৈ যায়
তোমাক খুউব ওচৰতে পাওঁ।
মই যে বেজী ধৰিছিলোঁ
আৰু সিয়নি দিছিলা তুমি।
মোৰ কি ভাৱ হয় জানা
মোনাখন কেৱল মোলৈহে এৰিলা
আৰু তুমি?
তুমি চাগৈ আন এখন চিলাই কৰিছা।
এতিয়া সিয়নিবোৰ (মোনাখনৰ)
মোৰ বাবে সৰ্পিল হ'বলৈ ধৰিছে।
কিন্তু,
সৰ্বগ্ৰাসীয়েও আঁতৰব পৰা নাই
মোৰ বাকচৰ মণিকোঠাৰ পৰা।
স্মৃতিৰ জোলোঙাখনেই
হৈ পৰিছে
মোৰ সৰ্ব্বস্ব।
আজি মই নিজানত বহি
নীৰৱ ভাষাৰে
কথা পাতিছোঁ
তুমি দিয়া
মোনাখনৰ স'তে।
❑❑❑❑

# DISLOYAL

**Mr. Kumud Das.**
T.D.C. 1st year.(Arts)

*I have no loyality*
*this matter badly inflame me.*
*I opine a lession in my wild core*
*when you deny, decline*
*Don't deject heart*
*for my verual felling*
*or my illusive duds*
*Yes, you mean it*
*I have no loyality*
*you reveal me*
*as I love you*
*that's only my fad*
*you mean it*
*I have no loyality*
*this matter badly inflame me.*

❑❑❑

# Who are you ?

**Mr. Bimal Kr. Das.**



*Who are you,*
*And where from?*
*Will you speak?*
*Stranger then said -*
*with a little smile*
*Eh, you know not !*
*'I, the desting*
*From heaven*
*Oh, you desting !*
*How fortunate am I !*
*oh my countrymen -*
*Lo, here's destiny*
*To invite me to the eternal abode*
*Hence, in you all*
*Haven't grief, sorrow*
*Moaning sadness.......*
*And remember*
*Make not any memorial sign*
*After my departure,*
*Y-e-s after my departure.*

❑❑❑





# PROBLEM

**Maicyle Dutta.**

*Oh !*
*Here, there and everywhere*
*Nothing but dreadful problem*
*Stands as a barrier*
*with the saying :*
*"I am here"*
*When I go forward*
*It stands as an invincible port,*
*When back right and left,*
*It awakes and says with the inborm*
*fearful smile*
*Hello Mr. It's fully impossible*
*To get rid of*
*Because, because 'I am here'*
*Yes, oh yes - 'I am here'*

# मेरे आरमान

यारी तो दिल से होती है
इसमें ना किसी मज़हब की पहचान
हम तो हर किसी से मोहब्बत करेगें।
वो चाहे हिन्दु हो या मुसलमान।
अपनी यारी को कोई मीटा नहीं सकता
ये तो है एक चट्टान।
यार ही मेरी ज़िंदगी है, यार ही मेरा अरमान
यारी करनी है तो लोगों हम से सीखों
हम जो है एक दुजे पर कुर्बान।

अनुज लहकर

❑❑❑❑

लिखता हु कबिता तेरी ही यादो में
तुम जौ रेहति हौ हरदम मेरि निगाहो में
तुम अगर साथ दोगी तौ में चांन्द को भि छु लुगां
दुनियाकि हर खुसि लाके तेरी झोलि भर दुगां।

मल्लिका शर्मा



# কথাশিল্প



(Assamese)

গল্প

# হৃদয়ৰ পাৰত অন্বেষা

দুদুল শালৈ
স্নাতক ,প্ৰথম বৰ্ষ (কলা)

মৰমৰ

অন্বেষা,

কেনেকৈ কিমান চিনাকি মানুহ কিমান স্মৃতিৰ বোজা বুকুত লৈ এৰাএৰি হয়। অস্তিত্বৰ তাগিদাত জীৱন সংগ্ৰামৰ গতি দেখোন দ্ৰুতৰ পৰা দ্ৰুততৰ হোৱাৰ পথত। যেন সকলোবোৰৰে লক্ষ্য এজনক পিছ পেলাই অগ্ৰসৰ হোৱাৰ। তুলনাই কিজানি মানুহক অসুখী কৰে। হয়তো কোনো নিশ্চিত নহয় অলপ সুখেৰে জীৱনটো পাৰ কৰিববৈলে। মানুহক কিহৰ প্ৰয়োজন ? কিছুমান মানুহে নিজকে এক অদ্ভুত ৰহস্যময়তাৰে আবৰি ৰাখে। কিয়নো ছোৱালীৰ মন জানিবলৈ হলে ধীৰে ধীৰে হৃদয়ৰ গভীৰতাত প্ৰবেশ কৰিব লাগে।

> ............ কোনো কলংকলৈ ভয় কৰা নাযায় য'ত হৃদয়ৰ সম্পত্তি থাকে। কোনো পাপ নকৰাকৈয়ে যে এহাল ডেকা গাভৰুৱে অকলশৰে আনন্দৰ সময় পাৰ কৰি দিব পাৰে সেই কথা চাগৈ পৃথিৱীৰ বেছিভাগ লোকেই বিশ্বাস কৰিব নোৱাৰে। মানুহৰ শৰীৰো এক নিৰ্মল আনন্দৰ উৎস সেই উপলব্ধিটিৰ বাবে একোটা নিৰ্মল মনৰো প্ৰয়োজন আৰু জীৱনৰ বাবে একোটা মায়াৰ প্ৰয়োজন .................।

প্ৰিয় নাৰীৰ প্ৰথম স্পৰ্শৰ দৰে কিছুমান স্মৃতি হৃদয়ৰ গভীৰতাত ৰৈ যায়। সেয়ে নয়নৰ ঠিকনা মই হৃদয়ত লিখি ৰাখিম। নয়নৰ কিছুমান কথা মোৰ হৃদয়ৰ গভীৰতম প্ৰদেশত চিৰন্তৰ প্ৰেৰণাৰ উৎসৰূপে খোদিত হৈ ৰ'ব।

মানুহে মাজে মাজে আকাশলৈ চাব লাগে। মন বহল আৰু উদাৰ হয়। আকাশ আৰু সমুদ্ৰৰ মাজত কি অদ্ভুত মিল। সুনীল সমুদ্ৰৰ ৰহস্যময়তা বিশল্যকৰণীৰ দৰে। ই হিংসা-দ্বেষ সকলো মুহূৰ্ত্ততে হৃদয়ৰ পৰা ধুই লৈ গৈ মানুহক পবিত্ৰতা দান কৰে। সমুদ্ৰ আৰু আকাশৰ একেই ৰং, উদাৰ আৰু বহল যেন পৃথিৱীৰ সকলোকে বুকুৰ মাজত লবলৈ সদা উৎসুক।

কিছুমান বয়সত কিছুমান কথা খাপ নাখায়। এই বয়সত মাজে মাজে নিজকে মোৰ উদাস উদাস লাগে। সেয়া স্বাভাৱিক নহয়। আৰু প্ৰতিটো অস্বাভাৱিকতাৰ আঁৰত একোটা কাৰণ থাকে। মই নাজানো কি এক ৰহস্যময়তাৰ বিশালতাই যাদুৰ শক্তিৰ দৰে তেওঁক প্ৰতিটো মুহূৰ্ততে হাত বাউল দি মাতে। কাৰোবাৰ লিহিৰি হাতৰ স্পৰ্শ গোপন বাবেই সেই স্পৰ্শ আজিও মুহূৰ্তৰ বাবে জীৱনৰ মধুৰ যন্ত্ৰনাৰ উৎস। কোনো সম্বন্ধ নোহোৱাকৈ হঠাতে কাৰোবাক আপোন আপোন লাগি যায়, হঠাতে হৃদয়ৰ গভীৰৰ সকলো খবৰ উদঙাই দিবৰ মন যায়। ইয়াৰ আঁৰতো জানো কোনো কাৰণ নাই? কিছুমান চেহেৰাত এনে এক বিনম্ৰ দিপ্তী থাকে যে দুচুকু জুৰাই যায়। একেথৰে বহু সময় চাই ৰলে বুকুৰ ভিতৰখন ধীৰে ধীৰে এক কোমল অনুভূতিয়ে ভৰাই তোলে। আৰু তাৰ পিচত বাচনৰ শব্দৰ দৰে এটা ক্ষীণ মধুৰ যন্ত্ৰণাৰ সুৰ বহু সময়লৈ বাজি থাকে। কিছুমান সম্বন্ধৰ মাজত সময়ৰ কোনো বাধা নাথাকে। সচাঁকৈ কিছুমান ছোৱালীৰ জীৱনলৈ চাগৈ বয়সে একো পৰিবৰ্তন আনিব নোৱাৰে। কেতিয়াবা কেতিয়াবা একোটা জেদৰ ওচৰত পৰাজয় বৰণ কৰিও কিবা এটা অদ্ভুত আনন্দ লাগে। মই জানো নয়নৰ হৃদয়ত এখন বহল পৃথিৱী আছে। নিজৰ অলক্ষিতে লুকাই থকা অনুভূতি একোটা নিসংগ মুহূৰ্তত আচম্বিতে ওলাই আহিব খোজে। সেই সময়ত ভাব হয় প্ৰতিজন মানুহৰ আশ্ৰয়ত গোপনে অইন এজন অচিনাকি মানুহ লুকাই থাকে। কিমানৰেইবা সাহস এই অস্তিত্বক স্বীকাৰ কৰাৰ। কিন্তু অস্বীকাৰে কি অস্তিত্বক অসত্য বুলি প্ৰমাণ কৰিব পাৰে? অনুভূতি বিশাল সমুদ্ৰৰ দৰে গভীৰ। কোনো নাৰীৰ শৰীৰত ৰাতি নিয়ৰত তিতি থকা বকুল ফুলৰ সুবাস লাগি থাকে। নয়নক দেখাৰ লগে লগে এই কথাষাৰ বাৰুকৈ অনুভূত হয়।

অ' অন্বেষা, তুমি জানানে দুজনা নাৰী পুৰুষ যেতিয়া যুগময়ী প্ৰতীক্ষাৰ মাজেৰে পৰস্পৰক প্ৰাৰ্থনা কৰে আৰু সময়, সমাজৰ নিয়ম উপেক্ষা কৰি অনুৰাগৰ পৰীক্ষাত উত্তীৰ্ণ হয়, তেতিয়াই সেই মিলনলৈ নামি আহে দেৱলোকৰ স্পৰ্শ, গন্ধ আৰু শব্দ। অনুৰাগ নিৰুদিষ্ঠ এই পৃথিৱীত সকলো নাৰীয়ে এই দেৱলোকৰ স্পৰ্শৰ কথা মনলৈ নানে। সামাজিক অধিকাৰ অবিহনে অনুভূতিৰ গভীৰতা প্ৰকাশ পাব নেকি? যিখন চিঠিত সঁচা অনুভূতিৰ কথা লিখিব নোৱাৰি, তেনেকুৱা চিঠি মই নিলিখোঁ। যিখন চিঠিত সঁচা অনুভূতিৰ কথা লিখা হয় তেনেকুৱা এখন চিঠি সাহস থাকিলেও নয়নলৈ লিখাৰ অধিকাৰ মোৰ নাই। সেয়েহে আজিলৈ লিখা হোৱা নাই। কেনেকৈ কিমান কথা চিৰকালৰ বাবে অলিখিতভাবে ৰৈ যায়।

কেতিয়াবা যদি কাৰোবাক আপোন কৰি ল'বলগীয়া হয়, তেনেহলে আপোন কৰি লম আন্তৰিকতাৰ প্ৰতিশ্ৰুতিৰে, অৰ্থৰ ঢাক ঢোলেৰে নহয়। হৃদয়ৰ মিলনত অৰ্থৰ বিনিময় আৰ্থিক পাপ। প্ৰতিজ্ঞাতকৈ সমাজৰ নিয়ম ডাঙৰ হব নোৱাৰে। প্ৰতিজনী ছোৱালীৰে জীৱনতে হয়তো কিছু কিছু অনুভূতি থাকে; কিছু কিছু ঘটনা থাকে, যাক আপোনজনৰ ওচৰতো গোপন কৰিবলগীয়া হয়। মনৰ এই একান্ত গোপনীয়তা কিদৰে আবৃত কৰিব লাগে নাৰীয়ে জানে আৰু জানে বাবেই নাৰী ৰহস্যময়ী। মানুহৰ হৃদয়ত তৰপে তৰপে সময়ৰ সুবাস আৱদ্ধ কৰি ৰখা যাদুৰ সফুঁৰা। মন্দিৰত দেৱতা নাথাকিব পাৰে, কিন্তু পৱিত্ৰতা থাকে। নয়নৰ দুনয়নত সদায় হৃদয়ৰ গভীৰৰ পৰা বিচ্ছুৰিত নিষ্কুলষতাৰ জ্যোতি মিহলি হৈ থাকে। ভগবান মন্দিৰত নাথাকে, থাকে একো একোজন মানুহৰ গভীৰতাত। মন্দিৰৰ দেৱতাই বোলে মানুহৰ মনক পৱিত্ৰতা প্ৰদান কৰে। মনত পবিত্ৰতাৰ পৰশ থাকিলেহে মানুহে যিকোনো কথাকে নিঃসংকোচে কৈ দিব পাৰে।

মই কি ভাবো জানা; মানুহৰ আচলতে উচ্চ-নীচ নাথাকে। পেটৰ তাগিদাই যাৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত্ত নিয়ন্ত্ৰণ কৰে তাৰ বাবে জাতি ফাতি সেইবোৰ

চব মিছা কথা। কেতিয়াবা পৃথিৱীলৈ এনে একোটা দিন আহিব যিদিনা মানুহৰ পৰিচয় অকল মানুহেই হ'ব। অনুভূতিৰ প্ৰকাশে শৰীৰত কলংক সানিব পাৰে, পাপ নাসানে? কোনো কলংকলৈ ভয় কৰা নাযায় য'ত হৃদয়ৰ সম্পত্তি থাকে। কোনো পাপ নকৰাকৈয়ে যে এহাল ডেকা গাভৰুৱে অকলশৰে আনন্দৰ সময় পাৰ কৰি দিব পাৰে সেই কথা চাগৈ পৃথিৱীৰ বেছিভাগ লোকেই বিশ্বাস কৰিব নোৱাৰে। মানুহৰ শৰীৰো এক নিৰ্মল আনন্দৰ উৎস সেই উপলব্ধিটিৰ বাবে একোটা নিৰ্মল মনৰো প্ৰয়োজন আৰু জীৱনৰ বাবে একোটা মায়াৰ প্ৰয়োজন। মানুহে যেতিয়া জীৱনৰ মোহ হেৰুৱাই পেলায়, তেতিয়া মন্দিৰলৈ যাব লাগে। সকলো ক্ষোভ, অভিমান, অভিযোগ বতাহৰ লগত মিহলি হৈ যায়। হঠাতে তুচ্ছ জীৱনৰ প্ৰতিও মায়া হৈ যায়।

কিছুমান কথা থাকে, যিবোৰ কোনো দিনে মুখ ফুটাই কোৱাৰ প্ৰয়োজন নহয়। ৰোহনৰ সেই ব্যৱহাৰ, সেই দৃষ্টি, সেই আকুলতা জানো যথেষ্ট নাছিল কেনেকৈ সি নয়নক বিচাৰে সেইটো বুজাবলৈ। প্ৰেমৰ উত্তাপ আৰু প্ৰেৰণাই যে এজন মানুহৰ সৃষ্টি ক্ষমতাক কেনেকৈ বিকশিত কৰিব পাৰে সেই কথা ৰোহনে অনুভৱ কৰা নাছিল। কোনো কোনো মানুহ থাকে, যাৰ সকলো উৎসাহ প্ৰাণচাঞ্চল্যৰ আঁৰত লুকাই থাকে কোনো এক গোপন উৎস আৰু সেই উৎস নিৰ্বাপিত হলে হেৰাই যায় সকলো উৎসাহ। এনে কিছুমান মানুহ থাকে নিচেই ওচৰত থাকিলেও যাক দূৰত থকা যেন লাগে। আচলতে পৃথিৱীৰ সকলো মানুহে নিজৰ মনৰ ভিতৰত সকলোৰে অলক্ষিতে সংগোপনে এক নিজস্ব পৃথিৱী নিৰ্মাণ কৰে আৰু সেই পৃথিৱীৰ বহুত দূৰৰ পৰা ভাঁহি অহা দুন্দুভিৰ শব্দৰ দৰে নিসংগ পৰত সুখ আৰু দুখৰ শব্দ থাকে। কোনো কোনো মানুহৰ কথা মনলৈ আহিলে এক নিৰ্মল আনন্দই হৃদয় স্পৰ্শ কৰে। কোনো কোনো মানুহৰ জীৱন এনেদৰে গঢ় লৈ উঠে যে সেই জীৱনটোক জীয়াই থাকিবলৈ কিবা এক নিচাৰ প্ৰয়োজন, নহলে মকৰা জালৰ দৰে বিষন্ন স্মৃতি, বৰ্তমান, ভৱিষ্যতৰ গভীৰ শুন্যতাই আগুৰি ধৰিব খোজে। কোনো কোনো মানুহৰ দৃষ্টি শাণিত অস্ত্ৰৰ দৰে সি সকলো বাধা প্ৰতিবাদ অতিক্ৰম কৰি কলিজাৰ ভিতৰত প্ৰবেশ কৰে। মৰমে অকল মানুহকে অতিক্ৰম নকৰে, বনৰ জীৱ জন্তুকো কৰে। প্ৰেম পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ভাষা। (কিছুমান কথা থাকে যিবোৰ কেতিয়াও কাকো কোৱা নহয়, অথচ এনেবোৰ কথায়েই হৃদয়ৰ গভীৰত সংগোপনে সৃষ্টি কৰে এক হাহাকাৰ আৰু অতৃপ্তিৰ শূন্যতা)। অন্ধকাৰ পৃথিৱীৰ সূৰুযৰ কিৰণে উদ্ভাসিত কৰাৰ দৰে প্ৰেমময় স্পৰ্শই কেতিয়াবা মানুহৰ দুখ আৰু বিষাদৰ স্মৃতি হৃদয়ৰ পৰা মচি হৃদয় আলোকিত কৰে আশাভৰা ভৱিষ্যতৰ সুখময় স্বপ্নেৰে। মই তাকেই শ্ৰদ্ধা কৰোঁ যি জীৱনৰ সৰু সৰু অনুভূতি হৃদয়ৰ পবিত্ৰতাক সন্মান কৰে।

গোটেই জীৱনত কোনো কোনো মানুহে জীৱনৰ খেলা অকলেই খেলে। খেলাৰ প্ৰয়োজন হয়। চৌদিশে হয়তো অনেক আত্মীয়, বন্ধু-বান্ধৱী থাকে, কিন্তু জীৱনত দুখৰ খেল খেলাৰ সময় হয় তেতিয়া, যেতিয়া মূৰ তুলি চালে মাথো দৃষ্টিগোচৰ হয় নিৰ্জনতা। মানুহৰ হৃদয়ত স্ফুৰ্তি থাকে। কিন্তু আজি-কালি মানুহৰতো দিলেই নাই। মানুহৰ কলিজা ৰোহনে দেখা নাই। ভাগি যাব বুলি জানিও পুৰুষে সদায় গভীৰ প্ৰত্যয় আৰু বিশ্বাসেৰে নাৰীৰ হাতত তুলি দিয়ে কলিজা। পৃথিৱীৰ সকলো মানুহৰে নিজৰ মতে জীয়াই থকাৰ, সুখী হোৱাৰ অধিকাৰ আছে নয়নৰো আছে।

হৃদয় দেখা পোৱাকৈ মানুহে কোন দিনা কথা ক'ব পৰা হ'ব। মই অপেক্ষা কৰিম কাৰোবাৰ বাবে যাৰ ওচৰত কোনো দ্বিধা সংকোচ নোহোৱাকৈ পৰম বিশ্বাস আৰু নিৰ্ভয়ে হৃদয়ৰ ভিতৰত প্ৰতিটো





কোঠালিৰ প্ৰতিখন দুৱাৰ খুলি দিব পাৰিম। এতিয়াও মানুহৰ শৰীৰৰ ভিতৰত হৃদয় আছে। কিন্তু কেতিয়াবা ভাব হয় হৃদয়ক স্বীকাৰ কৰিবলৈ তোমালোকে ভয় কৰা। সুন্দৰ অনুভূতিশীল হৃদয়ক সন্মান কৰা মানুহ তোমালোক। কিন্তু কি আচৰিত? তোমালোকে হৃদয়ৰ ভাল পোৱাক শ্ৰদ্ধা কৰা গোপন ৰোগৰ নিচিনাকৈ। কিন্তু ভালপোৱা হ'ব লাগিছিল তোমালোকৰ বাবে সুস্থ প্ৰকাশ। ভালপোৱা পৰিকল্পিত অনুভূতি নহয়। চেষ্টা বা ইচ্ছা কৰি হৃদয়ত কাৰোবাৰ প্ৰতি ভালপোৱা জগাই তুলিব নোৱাৰি। অবৈধ হলেও যদি দুজনৰ ভালপোৱাত আন্তৰিকতা, ত্যাগ আৰু গভীৰতা থাকে, তেনেহলে তাক অন্যায় বুলি কোৱা নহয়। কোনো পোৱা নোপোৱা, দিয়া- নিদিয়াৰ তাগিদাবিহীন মুহূৰ্ত্তৰ এটা দৃষ্টি, বাংময় নীৰৱতা সেই খিনিয়েই যথেষ্ট হৃদয় মন ভৰাই তুলিবলৈ। পোৱা নোপোৱাই জীৱনৰ শেষ হিচাপ নহয়। পাৰ হৈ অহা প্ৰতিটো মুহূৰ্ত্ত কেনেকৈ পাৰ হ'ল, আন্তৰিকতাৰে কাক আমি কি দিলোঁ সেই অভিজ্ঞতায়েইতো ভৱিষ্যতৰ বাবে মানুহৰ বৰ্ণময় সম্পদ। দুখ আৰু সুখ হাহিঁ আৰু কান্দোন দুয়োটাই সংক্ৰামক। নয়নৰ মন শিশুৰ সাফল্যৰে ভৰা। পৃথিৱী পবিত্ৰ কৰা হাহিঁত এনেকুৱা কিবা এটা আছে যাৰ সংস্পৰ্শই ধুই নিয়ে হৃদয়ৰ পৰা দুখ আৰু বিষাদৰ ছাঁ। নয়নৰ সুখৰ হাহিঁত কি আছে জানো? দেখিলেই ভৰি যাব খোজে বুকু। প্ৰত্যেক পুৰুষে অকল নিজৰ পছন্দৰ নাৰীৰ সংস্পৰ্শতহে নিজৰ হৃদয়ৰ বিদ্যুৎবাহী তাঁৰৰ হঠাতে চুম্বকত্বৰ উমান পায় আৰু জীৱনৰ একোটা সন্ধিক্ষণতে প্ৰতিজন পুৰুষৰ হৃদয় সেই নিজস্ব নাৰীৰ প্ৰেমত পৰে। আপাতভাৱে শক্তিমান হলেও প্ৰতিজন পুৰুষে কিজানি এদিন আশ্ৰয় বিচাৰে নিজৰ প্ৰিয় নাৰীৰ বুকুত। মানুহৰ কিছুমান স্বপ্ন থাকে যিবোৰ হয়তো মৃত্যুলৈকে বুকু গোট মাৰি বৰফৰ দৰে হৈ যায়। কি অদ্ভুত এই পৃথিৱী। বুকুত কাৰোবাৰ আশ্ৰয় দিয়াৰ বাবেও সামাজিক অধিকাৰৰ প্ৰয়োজন।

অপেক্ষাত কেতিয়াবা হৈ পৰে জীয়াই থকাৰ বাবে মানুহৰ প্ৰেৰণা। কাৰোবাৰ প্ৰেমময় অপেক্ষাই এটা জীৱনৰ ৰুক্ষ ধুসৰ ৰং মচি দি কেনেকৈ তাক সজীৱ উজ্জলতাৰে বৰ্ণময় কৰি তুলিব পাৰে। মানুহৰ সতে ধীৰে ধীৰে গঢ়ি উঠা মানুহ সমূহৰ তীব্ৰতাৰ উমান সকলো সময়তে পোৱা নাযায়, পোৱা যায় বিদায় বেলিকাতহে। মানুহৰ পৰিচয় মানুহৰ হৃদয়হে, জাতিত নহয়।

পৃথিৱীৰ প্ৰতিজন মানুহেই কিজানি কোনো কোনো মুহূৰ্ত্তত দুৰ্বল, কোনো কোনো মুহূৰ্ত্তত দোষী। সেই দোষ আৰু দুৰ্ব্বলতাই যাৰ হৃদয়ত আছে তেওঁক আমনি কৰিবই, যন্ত্ৰণা দিবই বা অতৃপ্তিও আনিবই। অতৃপ্তি আছে বাবেই হেনো প্ৰেম মধুময় আৰু সেইবাবেই হেনো নাৰী প্ৰেমৰ দৰে মাধুৰ্য্যক আৰু অতৃপ্তিৰ প্ৰতীক। কিন্তু এই দুখ যন্ত্ৰণা বিলাকক, মানুহ এজনৰ জীৱন চিৰকালৰ বাবে স্থৱিৰ কৰি দিয়াৰ সুযোগ দিয়াতো জানো উচিত হব?

কথাবোৰে তোমাৰ আৰু নয়নৰ জীৱনত কামত আহক নাহক মোৰ হৃদয়ৰ তাগিদাত লিখিলোঁ বহু দীঘলকৈ। বেয়া নাপাবা। চিঠিখন নয়নকো দেখুৱাবা। শেষত বহুত বহুত মৰমেৰে -

ইতিত,

'ৰোহন'

❑❑❑❑

**বি ঃ দ্ৰ ঃ-** *গল্পটো লিখোতে উপন্যাসিক ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীৰ 'অনুৰাধাৰ দেশ' নামৰ উপন্যাসখনৰ পৰা সহায় লোৱা হৈছে।*